# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-05-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। দেশৰ ৯৬ টা লোকসভা সমষ্টিত আজি পুৱাৰে পৰা চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ। অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশাত বিধানসভাৰ ভোটগ্ৰহণ আৰম্ভ।

২। লোকসভাৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত। উত্তৰ প্ৰদেশৰ বাৰানসীত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আৰু ৰায়বৰেলীত কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ জনসভা।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনকালত যোৱা ১০ বছৰত উত্তৰ-পূবৰ পৰ্যটন ক্ষেত্ৰত অভূতপূৰ্ব বিনিয়োগ হোৱা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নতুন দিল্লীত প্ৰকাশ।

*আৰু*

৪। দুখনকৈ আই পি এল খেলত অংশ লোৱাৰ উদ্দেশ্যে ৰাজস্থান ৰয়েলছ দলৰ খেলুৱৈসকলৰ আজি গুৱাহাটীলৈ আগমন। বিয়লি বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত পঞ্জাব কিংছৰ অনুশীলন।

০০০০০০০

কেন্দ্ৰীয় শাসিত জম্মু আৰু কাশ্মীৰৰ লগতে দেশৰ ৯খন ৰাজ্যৰ মুঠ ৯৬টা সমষ্টিত আজি পুৱা ৭ বজাৰে পৰা চলিত লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আজি ভোটগ্ৰহণ অনুষ্ঠিত হোৱা লোকসভা সমষ্টিসমূহৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ ২৫টা, তেলেংগানাৰ ১৭টা, উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্য প্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ওড়িশা আৰু ঝাৰখণ্ডৰ ৪টাকৈ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ এটা সমষ্টি আছে। এই সমষ্টিসমূহত ৮ কোটি ৯৭ লাখ পুৰুষ আৰু ৮ কোটি ৮৩ লাখ মহিলাকে ধৰি ১৭ কোটি ৭০ লাখৰো অধিক ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। আজি অনুষ্ঠিত হোৱা চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনত মুঠ এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ইফালে আজি অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশাত লোকসভাৰ সমান্তৰালকৈ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণো অনুষ্ঠিত হৈছে। অন্ধ্ৰ প্ৰদেশৰ ১৭৫টা সমষ্টিৰ আটাইকেইটাতে আৰু ওড়িশা বিধানসভাৰ ১৪৭টা সমষ্টিৰ ভিতৰত ২৮ টাৰ বাবে আজি ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

উল্লেখযোগ্য যে, চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা গিৰিৰাজ সিং, অৰ্জুন মুণ্ডা, জি কিষাণ ৰেড্ডী, অজয় কুমাৰ মিশ্ৰ, জে ডি ইউৰ ৰাজীৱ ৰঞ্জন সিং, সমাজবাদী পাৰ্টিৰ অধ্যক্ষ অখিলেখ যাদৱ, লোকসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা অধিৰ ৰঞ্জন চৌধুৰী, তৃণমূল কংগ্ৰেছৰ মহুৱা মৈত্ৰ আৰু শত্ৰুঘ্ন সিন্হা আৰু এ আই এ এমৰ আছাদউদ্দিন অ'ৱছিৰ ৰাজনৈতিক ভাগ্য ইভি এমত বন্দী হ'ব। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে তেলেংগানাৰ ১৭টা সংসদীয় সমষ্টিৰ ঠাই বিশেষ ভোটদাতাৰ সংখ্যা বৃদ্ধিৰ বাবে ভোটগ্ৰহণৰ সময় বৃদ্ধি কৰা হৈছে। সেই অনুসৰি সন্ধিয়া ৫ বজাৰ পৰিৱৰ্তে কোনো কোনো ভোটকেন্দ্ৰত ৬ বজালৈ ভোটগ্ৰহণ কৰা হ'ব। ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি ভোটগ্ৰহণ হ'বলগীয়া ঠাইসমূহত তাপমাত্ৰ স্বাভাৱিক হৈ থকাৰ লগতে কোনো অংশতে গ্ৰীষ্ম প্ৰবাহৰ দৰে পৰিস্থিতিৰ সৃষ্টি নহয় বুলি প্ৰকাশ কৰিছে। অৱশ্যে ভোটদাতাৰ সুবিধাৰ্থে নিৰ্বাচন আয়োগে কেন্দ্ৰসমূহত খোৱা পানী, প্ৰস্ৰাবগাৰ, হুইল ছেয়াৰ আৰু বিদ্যুতৰ ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে।

প্ৰতিখন ৰাজ্যতে আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰও আয়োগে স্থাপন কৰিছে। উল্লেখযোগ্য যে ইতিমধ্যে লোকসভা নিৰ্বাচনৰ তিনিটা পৰ্যায়ত দেশৰ ২৮৩ টা সংসদীয় সমষ্টিত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন হৈছে।

০০০০০০০

দেশৰ লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে বাকী থকা সমষ্টিসমূহত ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰচাৰ অভিযান পূৰ্ণগতিত অব্যাহত ৰাখিছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পশ্চিমবংগৰ বিহাৰত কেইবাখনো নিৰ্বাচনী সভাত অংশ লোৱাৰ লগতে ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাৰ দৃষ্টি আকৰ্ষণ কৰে। পশ্চিমবংগৰ হুগলীত অনুষ্ঠিত এখন দলীয় প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি তেওঁ অনুসূচীত জনজাতিৰ উন্নয়নৰ বাবে বিজেপি চৰকাৰৰ দিনত বাজেট বৃদ্ধি কৰা বুলি ব্যক্ত কৰে। শ্ৰী মোদীয়ে আৰামবাগ লোকসভা সমষ্টিত অনুষ্ঠিত এখন জনসভাত অংশ লৈ ৰাজ্য চৰকাৰৰ কাম-কাজৰ সমালোচনা কৰি পশ্চিমবংগৰ স্বাস্থ্য সম্পৰ্কীয় আন্তঃগাঁথনি দুৰ্বল বুলি মত প্ৰকাশ কৰে। তৃণমূলৰ অপশাসনৰ পৰা মুক্ত হ'বলৈ বিজেপিৰ সপক্ষে ভোটদানৰ বাবে তেওঁ জনসাধাৰণক আহ্বান জনায়। ইফালে বিহাৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ লগত এটা ৰোড শ্ব'ত ভাগ লয়। শ্ৰী মোদীয়ে আজি বিহাৰৰ লগতে উত্তৰ প্ৰদেশৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সংসদীয় সমষ্টি বাৰানসী আৰু আন সমষ্টিত দলীয় প্ৰচাৰ সভা তথা ৰোড শ্ব'ত অংশ ল'ব। ইপিনে উত্তৰ প্ৰদেশৰে ৰায়বৰেলীত কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীয়েও আজি নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কালি ৰাজ্যখনৰ কেইবাটাও স্থানত নিৰ্বাচনী সভাত অংশ লৈ বিজেপিক মিথ্যাচাৰীৰ দল বুলি সমালোচনা কৰে। ইফালে আম আদমী পাৰ্টীৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে কালি কেইবাখনো নিৰ্বাচনী সভাত অংশ লৈ বিদ্যুৎ, পানী, স্বাস্থ্য, শিক্ষা আৰু কৰ্মসংস্থানৰ দিশত পদক্ষেপ লোৱাৰ বিষয়ে উল্লেখ কৰাৰ লগতে দলৰ ঘোষণা পত্ৰত ৰাইজৰ সেৱাৰ সৈতে জড়িত ১০টা নিশ্চয়তা পূৰণৰ বিষয়ে ব্যক্ত কৰে।

মূল বিৰোধী দল কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেও কালি মহাৰাষ্ট্ৰৰ ধূলেত হোৱা এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি শাসনাধিস্থিতিত বিজেপি চৰকাৰখনৰ তীব্ৰ সমালোচনা কৰে। ইফালে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি উত্তৰ প্ৰদেশৰ ৰায়বৰেলীসহ কেইবাখনো নিৰ্বাচনী সভাত অংশ লোৱাৰ পাছত আজি মহাৰাষ্ট্ৰত বিজেপি, শিৱসেনা আৰু এন চি পিৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো কালি নতুন দিল্লীত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশ লৈ বিজেপি নেতৃত্বাধীন এন ডি এয়ে ৪০০ খনতকৈ অধিক আসন লাভ কৰিলে পাক অধিকৃত কাশ্মীৰক ভাৰতৰ সৈতে অন্তৰ্ভুক্ত কৰাৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিব বুলি ব্যক্ত কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালক কঠোৰ ভাষাৰে সমালোচনা কৰি ড০ শৰ্মাই লগতে কয় যে, যোৱাবাৰৰ দৰে এইবাৰো দিল্লীৰ আটাইকেইখন আসনত বিজেপি প্ৰাৰ্থী জয়ী হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি পাঞ্জাবৰ পাটীয়ালাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

০০০০০০০

ৰাজ্য চৰকাৰ প্ৰতিৰক্ষা খণ্ডৰ নিৰ্মাণ তথা উৎপাদনৰ অংশীদাৰ হোৱাৰ দিশত সকলোধৰণে সাজু হৈ উঠিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এটা ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত এই কথা প্ৰকাশ কৰি কয় যে প্ৰতিৰক্ষা উদ্যোগ নীতিৰ নতুন সংস্কৰণ আৰম্ভ কৰাৰ বাবে ৰাজ্যই যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে। পেট্ৰ'লিয়াম শোধন আৰু ছেমি কণ্ডাক্টৰৰ পাছতেই ৰাজ্য চৰকাৰে প্ৰতিৰক্ষা উদ্যোগ খণ্ডক অগ্ৰাধিকাৰ দিছে বুলি উল্লেখ কৰি ডং শৰ্মাই লোকসভা নিৰ্বাচন শেষ হ'লে এই সুদূৰপ্ৰসাৰী প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি সদৰি কৰে। তেওঁ লগতে অসমে বৰ্তমান গুজৰাট, উত্তৰ প্ৰদেশ আৰু কৰ্ণাটকৰ প্ৰতিৰক্ষা উদ্যোগ নীতিৰ বিষয়ে অধ্যয়ন কৰি আছে আৰু ইয়াৰ উন্নত সংস্কৰণ মুকলি কৰাৰ চেষ্টা কৰিব বুলি জানিবলৈ দিয়ে।

০০০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি জাগীৰোড বিধানসভা সমষ্টিৰ তেলাহীৰ পৰা ৰহা বিধানসভা সমষ্টিৰ জোঙালবলহু গড়লৈকে  কলং নৈৰ পাৰৰ নিৰ্মীয়মান মথাউৰি পৰিদৰ্শন কৰি নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে ৰহা চকী অঞ্চলৰ কলং নৈৰ সোঁকাষৰ মথাউৰিৰ খহনীয়া প্ৰতিৰোধ সন্দৰ্ভত লোকনিৰ্মাণ আৰু জলসম্পদ বিভাগৰ অভিযন্তাৰ সৈতে আলোচনা কৰি শীঘ্ৰেই যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। প্ৰায়  ৪১ কোটি ৮ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা ১৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই মথাউৰিয়ে নগাঁও জিলাৰ এটা বৃহৎ অঞ্চলক কলং নৈৰ ক্ষয়-ক্ষতিৰ পৰা ৰক্ষা কৰিব বুলি মন্ত্ৰী শ্ৰী হাজৰিকাই প্ৰকাশ কৰে। পৰিদৰ্শনকালত স্থানীয় বিধায়ক শশীকান্ত দাস, নগাঁও জিলা বিজেপিৰ সভাপতি অভিজিৎ নাথ আৰু লোকনিৰ্মাণ তথা জলসম্পদ বিভাগৰ অভিযন্তা বিষয়াসকল উপস্থিত থাকে।

00000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত অনুষ্ঠিত অনুসূচীত জনজাতি সন্মিলনত অংশগ্ৰহণ কৰি কয় যে, নৰেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হোৱাৰ পাছত উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলৰ প্ৰতি থকা কেন্দ্ৰৰ পূৰ্বৰ ধাৰণা সলনি হৈছে। দীনদয়াল উপাধ্যায় মাৰ্গত থকা ভাৰতীয় জনতা পাৰ্টীৰ কেন্দ্ৰীয় কাৰ্যালয় পৰিসৰত আয়োজিত সন্মিলনখনত অংশগ্ৰহণ কৰি তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰীগৰাকীয়ে যোৱা ১০ বছৰত ৭০ বাৰ উত্তৰ-পূব ভ্ৰমণ কৰিছে আৰু ইয়াৰে ২৭ বাৰেই তেওঁ অসমলৈ আহিছিল। ইয়াৰ পূৰ্বে কোনো এগৰাকী প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূবক শ্ৰী মোদীৰ দৰে মৰমৰ দৃষ্টিৰে চোৱা নাছিল। প্ৰধানমন্ত্ৰীগৰাকীৰ এই দৃষ্টি কোণে উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ বিশাল পৰিৱৰ্তন লৈ অহা বুলিও ড০ শৰ্মাই উল্লেখ কৰে। উত্তৰ-পূবৰ ৰাজ্যসমূহক ৰে'ল সেৱাৰ জৰিয়তে দেশৰ সৈতে সংযুক্ত কৰি অভূতপূৰ্ব উন্নয়ন সাধন কৰাত দৃঢ় পদক্ষেপ লোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সীমা সুৰক্ষাৰ ক্ষেত্ৰতো পূৰ্বৰ চৰকাৰে নকৰা কামবোৰ সম্পূৰ্ণ কৰা বুলি তেওঁ কয়। ইফালে আধুনিক স্থলপথৰ লগতে ব্ৰহ্মপুত্ৰৰ ওপৰত কেইবাখনো নতুন দলঙৰ নিৰ্মাণে সমগ্ৰ উত্তৰ-পূবতে অৰ্থনৈতিক উন্নয়নত যুগান্তকাৰী প্ৰভাব বিস্তাৰ পৰা বুলি কৈ মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা ১০টা বছৰত পৰ্যটনৰ দিশতো অভূতপূৰ্ব বিনিয়োগ হোৱা বুলি উল্লেখ কৰে। ইপিনে জাগীৰোডত নিৰ্মাণ হ'বলগীয়া ছেমিকণ্ডাক্টৰ উদ্যোগে অসমৰ লগতে উত্তৰ-পূবৰ দ্ৰুত আৰ্থিক বিকাশ সুনিশ্চিত কৰিব বুলিও তেওঁ উল্লেখ কৰে।

00000000

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অহা ৩১ মে'ৰ পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে বন্ধ কৰা হ'ব। পূৰ্বে উদ্যান কৰ্তৃপক্ষই ১৫ মে'ত ৰাষ্ট্ৰীয় উদ্যানখনৰ জীপ চাফাৰী বন্ধ কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছিল যদিও পাছত পৰ্যটকৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি ৩১ মে' পৰ্যন্ত এই সময়সীমা বৃদ্ধি কৰা হয়। ইতিমধ্যে যোৱা পহিলা মে'ৰ পৰা উদ্যানখনত হাতী চাফাৰী বন্ধ কৰি দিয়া হৈছে। উল্লেখযোগ্য যে ২০২৩-২৪ পৰ্যটন বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিবলৈ সক্ষম হয়। এই পৰ্যটন বৰ্ষটোত বৰ্তমানলৈকে ৩০ হাজাৰ ৯১৯ গৰাকী বিদেশী পৰ্যটককে ধৰি ৩ লাখ ২৭ হাজাৰ ৪৯০ গৰাকী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰাৰ তথ্য লাভ কৰা হৈছে। এই সময়ছোৱাত উদ্যান কৰ্তৃপক্ষই ৮ কোটি ৮০ লাখ টকাৰ ৰাজহ লাভ কৰিছে।

আনহাতে, মানাহ ৰাষ্ট্ৰীয় উদ্যানতো পৰ্যটকৰ বাবে অহা ২০ মে'ৰ পৰা হাতী চাফাৰী আৰু ৰিভাৰ ৰাফ্‌টিং বন্ধ থাকিব বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। অৱশ্যে জীপ চাফাৰী অহা ৫ জুনলৈকে খোলা থাকিব।

00000000

জেঠ মাহৰ পূৰ্ণিমা তিথিত উদযাপন কৰিবলগীয়া ৰাভা জনগোষ্ঠীৰ জাতীয় উৎসৱ বাইখোৰ কাৰণে দুধনৈ আঞ্চলিক ছাত্ৰ সভাই প্ৰস্তুতি অব্যাহত ৰাখিছে। অহা ২৩, ২৪ আৰু ২৫ মে'ত তিনি-দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বাইখো উৎসৱ উদযাপন কৰা হ'ব। দুধনৈ ৰাজহুৱা খেলপথাৰত কালি এই  উদ্দেশ্যেৰে আনুষ্ঠানিকভাৱে লাইখুটা স্থাপন কৰা হয়। উল্লেখযোগ্য যে দুধনৈ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত বাইখো উৎসৱৰ এই বছৰ ২৫ বছৰ পূৰ্তি উপলক্ষে ৰূপালী জয়ন্তী বৰ্ষ হিচাপে উদযাপন কৰা হ'ব।

00000000

গুৱাহাটীত অনুষ্ঠিত হ'বলগা দুখনকৈ আই পি এল খেলত অংশ লোৱাৰ বাবে আজি মহানগৰীত ৰাজস্থান ৰয়েলছৰ খেলুৱৈসকল উপস্থিত হ'ব। বিয়লি ৪ বাজি ৪৫ মিনিটত বৰঝাৰ বিমান বন্দৰত দলটোৰ বিশেষ বিমানে অৱতৰণ কৰিব। ইফালে কালি আবেলি পঞ্জাব কিংছ দলো গুৱাহাটীত উপস্থিত হৈছে। আজি পঞ্জাব কিংছৰ খেলুৱৈসকলে বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত বিয়লি ৪ বাজি ৪৫ মিনিটত অনুশীলন কৰিব। উল্লেখযোগ্য যে ইণ্ডিয়ান প্ৰীমিয়াৰ লীগৰ প্ৰথম চিজনৰ চেম্পিয়ন ৰাজস্থান ৰয়েলছে চলিত ১৭ সংখ্যক আই পি এলৰ অন্তিম দুখন খেল বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত খেলিব। সঞ্জু ছেমছনে নেতৃত্ব দিয়া দলটোৱে অহা ১৫ মে'ত গুৱাহাটীত হ'বলগীয়া প্ৰথমখন খেলত পঞ্জাব কিংছৰ বিৰুদ্ধে খেলাৰ বিপৰীতে অহা ১৯ মে'ত দলটোৱে কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব।

ooooo

————আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইদাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দেলহী কেপিটেলছক ৪৭ ৰানত পৰাস্ত কৰে।

ইয়াৰ আগেয়ে চেন্নাই ছুপাৰ কিংছে এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছক ৫ উইকেটত পৰাস্ত কৰি এইবাৰৰ প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ত প্ৰৱেশ কৰাৰ আশা সজীৱ কৰি তোলে।

ooooooo

আসন্ন পেৰিছ অলিম্পিকত ছগৰাকী ভাৰতীয় মল্লযোদ্ধাই অংশগ্ৰহণ কৰিব। ইয়াৰ ভিতৰত ৫ গৰাকী মহিলা মল্লযোদ্ধা আছে। অমন ছহৰাৱট আৰু নিশা দাহিয়াই তুৰস্কৰ ইস্তানবুলত অনুষ্ঠিত বিশ্ব অলিম্পিক মল্লযুদ্ধ কোৱালিফায়াৰ প্ৰতিযোগিতাত ভাৰতৰ ক'টাৰ সংখ্যা ৬ লৈ বৃদ্ধি কৰে। ইয়াৰ পূৰ্বে ৱিনেশ ফ'গাটে ৫০ কিলোগ্ৰাম, অন্তিম পংঘালে ৫৩ কিলোগ্ৰাম, অংশু মালিকে ৫৭ কিলোগ্ৰাম আৰু ৰীতিকা হুডাই ৭৬ কিলোগ্ৰাম ওজন শাখাত পেৰিচ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছিল।

ইস্তানবুল প্ৰতিযোগিতা মল্লযোদ্ধাসকলৰ বাবে পেৰিচ অলিম্পিকলৈ যোগ্যতা অৰ্জনৰ অন্তিম প্ৰতিযোগিতা আছিল।

ooooooo

৯ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৯৬ খন লোকসভা আসনৰ বাবে আজি চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ। 'আজি লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোট' শীৰ্ষক শিৰোনামেৰে **দৈনিক অসম** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অসমত তিনিটা পৰ্যায়ত নিৰ্বাচন সমাপ্ত হোৱাৰ পাছতেই ৰাজ্যত অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে ঔষধকে ধৰি নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ মূল্য। 'বজাৰত জুই' শীৰ্ষ শিৰোনামেৰে **আমাৰ অসম** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। 'নিশাটোৰ ভিতৰতে আকাশলংঘী খাদ্য সামগ্ৰীৰ দাম' শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে দেওবাৰে লোকসভা নিৰ্বাচনক লৈ দেশৰ জনসাধাৰণক দহটা গ্যেৰাণ্টি ঘোষণা কৰে। 'দেশবাসীক দহটা গ্যেৰাণ্টি দিলে অৰবিন্দ কেজৰিৱালে' শীৰ্ষ শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। 'বিনামূলীয়া বিদ্যুৎ স্বাস্থ্য সেৱাৰ প্ৰতিশ্ৰুতিৰে দহ গ্যেৰাণ্টি কেজৰিৱালৰ' শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। 'ইণ্ডিয়াৰ প্ৰধানমন্ত্ৰী হ'ব নেকি কেজৰিৱাল' শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

পশ্চিমবংগত একেদিনাই চাৰিখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ প্ৰধানমন্ত্ৰীৰ। ‘নাগৰিকত্ব সংশোধনী আইনক লৈ ভ্ৰান্ত ধাৰণা দি আহিছে তৃণমূলে’ শীৰ্ষ শিৰোনামেৰে মোদীৰ প্ৰচাৰ সভাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। `STOP CAA IMPLIMENTATION' শিৰোনামেৰে দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দেশৰ প্ৰতিৰক্ষা খণ্ডৰ নিৰ্মাণ তথা উৎপাদনৰ অংশীদাৰ হোৱাৰ দিশত আগবাঢ়িছে অসম। প্ৰতিৰক্ষা উদ্যোগ নীতিৰ নতুন সংস্কৰণ অসমৰ ভূমিৰ পৰাই আৰম্ভ কৰিবলৈ আগবঢ়াৰ যুগান্তকাৰী পদক্ষেপৰ কথা সদৰি কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ‘অসমে শীঘ্ৰে ল’ব প্ৰতিৰক্ষা উদ্যোগ নীতি’ শিৰোনামেৰে বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

00000000

**সমাপ্ত**